# কৰ্মবীৰ চন্দ্ৰনাথ শৰ্ম্মা



**ড০ অৰনী কুমাৰ শৰ্ম্মা**

**“শোণিত সুবাস” ঃ** তেজপুৰ তথা শোণিতপুৰৰ বিশিষ্ট বৰেণ্য ব্যক্তিৰ গ্ৰন্থমালা। প্ৰকাশক অসমীয়া ক্লাৱ, তেজপুৰ, ৱাৰ্ড নং - ৫, পিন - ৭৮৪০০১

| | | |
|---|---|---|
| প্ৰকাশক | ঃ | সম্পাদক, অসমীয়া ক্লাৱ, তেজপুৰ<br>ৱাৰ্ড নং - ৫, পিন ঃ ৭৯৪০০১, |
| কৰ্মবীৰ চন্দ্ৰনাথ শৰ্ম্মা | ঃ | কৰ্মবীৰ চন্দ্ৰনাথ শৰ্ম্মা |
| লিখক | ঃ | ড০ অৰনী কুমাৰ শৰ্ম্মা |
| প্ৰচ্ছদ | ঃ | কুমুদ বৰুৱা, তেজপুৰ |
| সম্পাদক | ঃ | ৰুবুল শৰ্ম্মা |
| সম্পাদনা সহযোগী | ঃ | হেমন্ত কুমাৰ লহকৰ |

| © | ঃ | অসমীয়া ক্লাৱ, তেজপুৰ |
|---|---|---|

| | | |
|---|---|---|
| প্ৰথম প্ৰকাশ | ঃ | ৪ মে’ ২০১৪ |
| বৰঙণি | ঃ | ২০.০০ টকা |
| ছপা | ঃ | টাইকল ষ্টাইল ট্ৰেক, কুমাৰ গাঁও, তেজপুৰ |

**Sonit Subash :** A Series of Books on the legendary persons of Tezpur, Sonitpur. Published by Asomiya Club, Tezpur, ward No - 5, PIN - 784001

# প্ৰকাশকৰ একাষাৰ

ইতিহাসক প্ৰগতিৰ দিশলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত কিছু বিশিষ্ট ব্যক্তিৰ বৰঙণি সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে উঠি অহা ন-প্ৰজন্ম আমাৰ বুৰঞ্জীৰ শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ সংশয়ে দেখা দিছে। আনহাতে স্বনামধন্য, বৰেণ্য ব্যক্তিৰ ঐতিহাসিক সামাজিক ভূমিকা সম্পৰ্কে ন-প্ৰজন্মক অৱগত কৰোৱাৰ বিশেষ উদ্যোগ দেখা পোৱা নাযায়। এই ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও আশাব্যঞ্জক নহয় আৰু পঢ়াশালিৰ পাঠ্যপুথিতো বিশেষ গুৰুত্ব দিয়া নহয়।

শোণিতপুৰ বা তেজপুৰত এনে বহু ব্যক্তি আছে যি একোটা যুগত দেশ, জাতি, সমাজ-সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া অৱদান ৰাখি গৈছে আৰু আজিও চৰ্চিত হৈ আছে। কিছু ব্যক্তিয়ে জীৱনৰ অধিক সময়েই সমাজৰ হিতৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি গ'ল; অথচ তেওঁলোকৰ অৱদান বালিৰ তলৰ মুকুতা হৈ পৰি আছে। এনে সকলো ব্যক্তিৰ উজ্বল দিশসমূহৰ এক সম্যক পৰিচয় জনমানসৰ ওচৰত তুলি ধৰাৰ পুনৰ প্ৰয়োজন হৈছে। এই লক্ষ্যত ''অসমীয়া ক্লাৱ, তেজপুৰ''এ শোণিতপুৰ বিশেষকৈ তেজপুৰৰ বৰেণ্য ব্যক্তিৰ পৰিচয়মূলক এলানি পুথি প্ৰকাশৰ দিহা কৰিছে।

ই এক জটিল তথা দুৰূহ কাম, যদিও ক্লাৱে তেনে বিশিষ্ট ব্যক্তিৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰথমে কোন কোন ব্যক্তিক প্ৰাধান্য দিয়া হ'ব ? ইয়াৰ উত্তৰত আমি ঠিক কৰিছো যে অসমীয়া ক্লাৱৰ সৈতে জড়িত হোৱা ব্যক্তিক প্ৰথমে আমি তুলি ধৰিম যদিও ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত ঠিয় হৈ আনসকলকো গুৰুত্ব দিয়া হ'ব। আনহাতে তেজপুৰৰ কিছু বৰেণ্য, বাটকটীয়া ব্যক্তি সমাজত তথা সমগ্ৰ অসমত বহুল চৰ্চিত হৈছে আৰু হৈ আছে; তেনে ব্যক্তিক সদ্যহতে আমি অন্তৰ্ভুক্ত কৰা নাই। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদি।

'অসমীয়া ক্লাৱে' অহা ২০১৫ চনত শতবৰ্ষ উদ্‌যাপন কৰিব। তেতিয়ালৈ কমেও ২০খন পুথি প্ৰকাশৰ লক্ষ্য লৈছে। পৰ্য্যায়ক্ৰমে পাঁচখনকৈ পুথি প্ৰকাশ কৰা হ'ব। 'শোণিত সুবাস' নামেৰে এই গ্ৰন্থমালাৰ নামাকৰণ কৰা হৈছে। আমি নিৰ্দ্দিষ্ট ব্যক্তিৰ পৰিয়ালৰ লোকৰ দ্বাৰা পুথি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো যদিও আন লেখকৰ দ্বাৰাও এই প্ৰচেষ্টা চলোৱা হৈছে।

আমি বেটুপাতৰ প্ৰথম আৱৰণত অসমীয়া ক্লাৱৰ জন্মলগ্নত জড়িত থকা আৰু অসমীয়া ক্লাৱৰ আহুকালৰ সময়ত জড়িত প্ৰয়াত নমস্য ব্যক্তিৰ ছবি সন্নিবিষ্ট কৰিছো। পিছৰ আৱৰণতো একেই আধাৰ গ্ৰহণ কৰা হৈছে।

বিশিষ্ট ব্যক্তিৰ চমু পৰিচয়মূলক পুথি প্ৰণয়নৰ ওপৰতেই প্ৰধানকৈ জোৰ দিছো, সেয়েহে মূল্যায়ন বা ব্যাখ্যা কৰাৰ পৰা বিৰত আছো। লগতে নিৰ্দ্দিষ্ট ব্যক্তিৰ কোনো বিশেষণো আমি নামৰ সৈতে যুক্ত কৰা নাই; যদিও জনপ্ৰিয় উপাধিৰ সম্পৰ্কে লিখনিত প্ৰকাশ কৰাত কাৰ্পন্যও কৰা নাই। সৰু হাতপুথিৰ লেখিয়াকৈ প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সম্পাদনাও কৰিবলগীয়া হৈছে। তাৰবাবে ক্লাৱে শ্ৰী ৰুবুল শৰ্মাক দায়িত্ব দিয়ে।

সম্পাদনাৰ ক্ষেত্ৰত লোৱা পদ্ধতি হ'ল, যি পুথিৰ পাণ্ডুলিপিৰ কলেৱৰ প্ৰয়োজনতকৈ দীঘল হৈছে তাক চমু কৰিবলৈ চেষ্টা কৰা হৈছে; যদিও লিখকৰ মূল কথা বা গুৰুত্বপূৰ্ণ তথ্য অক্ষত ৰখা হৈছে। একেদৰে চমু হোৱা পাণ্ডুলিপিৰ কলেৱৰ বঢ়োৱা হৈছে। যি সকল বৰেণ্য ব্যক্তি অসমীয়া ক্লাৱৰ সৈতে জড়িত আছিল, সেই সকলৰ ক্লাৱৰ সৈতে থকা সম্পৰ্ক তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

পাণ্ডুলিপি প্ৰস্তুত কৰা ব্যক্তিৰ একাংশ নিয়মীয়া লেখক নহয়। গতিকে আমি সাহিত্যতকৈ নিৰ্দ্দিষ্ট ব্যক্তিৰ ঐতিহাসিক, সামাজিক পৰিসৰত নিজস্ব অবদান, ত্যাগ তথা কৰ্মৰ ওপৰত বিশেষ গুৰুত্ব দিছো। বানান বিভ্ৰাত কমাবলৈ অশেষ চেষ্টা কৰা হৈছে যদিও সফলকাম হ'ব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

আমি প্ৰকাশিত পুথিৰ অৰিহণা নিৰ্দ্ধাৰণ কৰিছো তথাপিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা ব্যক্তিৰ বৰঙণিও আশা কৰিছো। যাতে ধাৰাবাহিক ভাবে এনে পুথি প্ৰকাশ কৰাত অসমীয়া ক্লাৱ আৰ্থিক দৈন্যত নপৰে।

যি সকলে লিখা প্ৰস্তুত কৰি দি ক্লাৱৰ এই মহান কামত সহায় কৰিলে, বেটুপাতৰ প্ৰচ্ছদ আঁকি শ্ৰদ্ধেয় কুমুদ বৰুৱাই যি সহায় কৰিলে, যি সকলে বিভিন্ন তথ্য সৰবৰাহ কৰি সহায়ৰ হাত আগবঢ়ালে সেই সকলোলৈকে অসমীয়া ক্লাৱে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে 'ট্ৰাইকল' প্ৰেছৰ সমূহ কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমীয়া ক্লাৱৰ এই মহান উদ্যোগক আগুৱাই নিয়াৰ বাবে সকলোৱে সহায় সহযোগ আৰু দিহা পৰামৰ্শ কামনা কৰো।

**- অসমীয়া ক্লাৱ, তেজপুৰ**

কালজয়ী কৰ্মৰাজিৰে মাতৃভূমিৰ সেৱাত আত্মনিয়োগ কৰি সাধনাত সিদ্ধি লভি যুগলৈ কৰ্ম-প্ৰেৰণাৰ অফুৰন্ত অমৃত-উৎস দি গ'ল অসমৰ জাতীয় জীৱনৰ উদ্বোধিকা শক্তি স্বৰূপ কৰ্মবীৰ চন্দ্ৰনাথ শৰ্ম্মাদেৱে। যি কেইগৰাকী উদাৰ, কৰ্মযোগী, প্ৰতিভাশালী, দেশপ্ৰাণ লোকে অসমবাসীৰ মাজত জাতীয় চৈতন্য জগাই তুলিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল, অসমক ভাৰতৰ অন্য ৰাজ্যৰ শাৰীত তুলি সোণৰ অসম গঢ়াৰ সপোন দেখিছিল, অসমীয়া ভাষা-সাহিত্যৰ পুষ্টি সাধনৰ বাবে সাধ্যানুসৰি বৰঙণি যোগাইছিল - তেওঁলোকৰ মাজত কৰ্মবীৰ চন্দ্ৰনাথ শৰ্ম্মা ভোটা তৰা সদৃশ। উনবিংশ শতিকাৰ কোনো এক পূণ্যক্ষণত জন্ম গ্ৰহণ কৰি যুগজয়ী সিংহপুৰুষ গৰাকীয়ে একুৰি বাৰবছৰীয়া নাতিদীৰ্ঘ জীৱনকালত অসমৰ জাতীয় জীৱনৰ সৰ্বত্ৰতে হাত দি জাতিটোৰ হকে যিখিনি অবদান আগবঢ়াই গ'ল, তাৰ তুলনা পাবলৈ নাই। অকল অসমৰে নহয়, সমগ্ৰ ভাৰতবৰ্ষৰে এজন আগশাৰীৰ নেতা হিচাবে চন্দ্ৰনাথৰ যি কীৰ্তি, তাক আজি অস্বীকাৰ কৰিবৰ উপায় নাই।আনকি ভাৰতবৰ্ষৰ অসহযোগ আন্দোলনৰ মহান নেতা, জগতৰ বৰেণ্য পুৰুষ মহামানৰ মহাত্মা গান্ধীয়ে তেওঁক 'মহান দেশ প্ৰেমিক', 'একনিষ্ঠ সেৱক' আদি আখ্যা দিয়াটো সঁচাকৈয়ে তাৎপৰ্য্যপূৰ্ণ।

কৰ্মবীৰ চন্দ্ৰ নাথ শৰ্ম্মাৰ জন্ম হয় অবিভক্ত দৰং জিলাৰ প্ৰাণকেন্দ্ৰ তেজপুৰ চহৰৰ পৰা ১৩/১৪ কি:মি: পশ্চিমে থকা বিহগুৰি মৌজাৰ নিজ বিহগুৰি গাঁৱৰ মেকনৰ চুক নামৰ ঠাইত ১৮৮৯ চনৰ ৯ ডিচেম্বৰত। তেওঁৰ পিতৃ দণ্ডিনাথ শৰ্ম্মা আৰু মাতৃ কৌশল্যা দেৱী। চন্দ্ৰনাথ সৰুৰে পৰা কষ্ট সহিষ্ণু, ধীৰ-স্থিৰ, শান্ত আৰু তীক্ষ্ণ বুদ্ধিৰ ল'ৰা আছিল। চন্দ্ৰনাথৰ দেউতাকৰ আৰ্থিক অৱস্থা সিমান ভাল নাছিল। সেয়েহে চন্দ্ৰনাথে দৰিদ্ৰতাৰ কৱলত পৰি শিক্ষা জীৱনৰ যৱনিকা পেলাবলগীয়া হৈছিল। আনকি পৰৱৰ্তী জীৱনতো তেখেতে টকা-পইচা উপাৰ্জনৰ কথা নাভাবি মাথোঁ দেশৰ মুক্তি আন্দোলনত জপিয়াই পৰি গঠনমূলক কামত নিজকে নিয়োগ কৰিছিল। প্ৰগাঢ় ব্যক্তিসম্পন্ন, অদ্ভুত দূৰদৃষ্টি সম্পন্ন, সমাজ-সেৱক গৰাকী আছিল স্বভাৱতে অভিমানী, ভাৱ প্ৰৱণ, স্পষ্টবাদী আৰু তেজী। বিহগুৰিৰ প্ৰাথমিক বিদ্যালয়ত বিদ্যাৰম্ভ কৰি ১৯০১ চনত তেজপুৰৰ সদৰ মজলীয়া স্কুলত ভৰ্ত্তি হয়। ছাত্ৰবৃত্তি পৰীক্ষাত উত্তীৰ্ণ হৈ বৃত্তি পায় আৰু ১৯০৪ চনত তেজপুৰ চৰকাৰী হাইস্কুলত নাম লগায়। তাৰপৰা প্ৰবেশিকা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ



কটন কলেজত ভৰ্ত্তি হয়। দুবছৰৰ মূৰত আই, এ, পৰীক্ষা দি কুৰি টকীয়া বৃত্তি পায়।১৯১৪ চনত তেওঁ কটন কলেজৰ পৰা বি, এ, পাচ কৰে। আই, এ, পঢ়ি থকা কালতেই তেওঁ গুৱাহাটীৰ উজান বজাৰ নিবাসী অন্নদা কুমাৰ বৰুৱাৰ কন্যা ভুবনেশ্বৰী দেৱীক বিয়া কৰায়। বি, এ, পাচ কৰাৰ পিচত তেওঁ কিছুদিন সোণাৰাম হাইস্কুলত শিক্ষকতা কৰে আৰু আইন কলেজত পঢ়ে। ১৯১৮ চনত তেওঁ বি, এল পাচ কৰি আইন ব্যৱসায় আৰম্ভ কৰে।

চন্দ্ৰনাথ শৰ্ম্মা আছিল একেধাৰে সাহিত্য-সেৱী, ৰাজনীতিবিদ আৰু অক্লান্ত দেশ-কৰ্মী। সৰুৰে পৰা সাহিত্যত তেওঁৰ প্ৰবল ৰাপ আছিল। হাইস্কুলত পঢ়ি থকা কালছোৱাত দণ্ডিনাথ কলিতাৰ সৈতে লগ লাগি 'চেতনা' নামৰ এখন হাতেলিখা আলোচনী উলিয়াইছিল আৰু তেওঁ তাৰ সম্পাদক আছিল। এই কামৰ বাবে তেওঁ আৰু তেওঁৰ সহযোগী আটাইকেইজনে প্ৰধান শিক্ষকৰ পৰা তিৰস্কাৰ পাবলগা হৈছিল। তথাপি সাহিত্য চৰ্চাৰ তেওঁৰ যি প্ৰবল হেপাহ, সি মাৰ নগ'ল; বৰং বাঢ়িল হে। 'চেতনা'ত ওলোৱা তেওঁৰ প্ৰবন্ধ কেইটামান পিচত পদ্মনাথ গোহাঞি বৰুৱাৰদেৱৰ সম্পাদনাত তেজপুৰৰ পৰা ওলোৱা 'উষা'ত প্ৰকাশিত হৈছিল। 'উষা'ত ওলোৱা তেওঁৰ প্ৰবন্ধবিলাকৰ ভিতৰত 'আনন্দৰাম বৰুৱা আৰু বঙ্গলা ভাষা' স্কুলত পঢ়ি থকা কালতে লিখা। 'বন্তি'ত প্ৰকাশিত তেওঁৰ প্ৰবন্ধ বিলাকৰ ভিতৰত বিহগী কবি ৰঘুনাথ চৌধাৰী দেৱৰ 'সাদৰী'ৰ সমালোচনাটো উল্লেখযোগ্য। তেজপুৰৰ পৰা ওলোৱা 'আসাম বান্ধৱ' নামৰ আলোচনীৰ বহুল প্ৰচাৰৰ বাবেও তেওঁ কম চেষ্টা কৰা নাছিল। কটন কলেজৰ প্ৰথম বাৰ্ষিক শ্ৰেণীত পঢ়ি থাকোঁতেই তেওঁ কলেজৰ হাতে লিখা আলোচনী 'সেউতী'ৰ যুটীয়া সম্পাদক হয়। 'উষা' আলোচনীলৈকো তেওঁ প্ৰবন্ধ লিখি আছিল। সেইসময়তে এফালে 'উষা' 'বন্তি' আৰু আনফালে 'বাঁহী'ৰ বিবাদ আৰম্ভ হয়। চন্দ্ৰনাথ 'উষা'ৰ ফলীয়া আছিল। উষা, চেতনা, বন্তি, আসাম বান্ধৱ, অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'মিলন'ৰ বাহিৰেও আৰু বহু কাকত আলোচনীত চন্দ্ৰনাথ শৰ্ম্মাই নিয়মিতভাৱে লিখিছিল। ব্ৰিটিছ বিৰোধী মহান অসমীয়া আলোচনী 'আসাম বিলাসিনী'ৰ (দ্বিতীয়, পৰ্যায়, যোৰহাটৰ পৰা প্ৰকাশিত) ওপৰতো বহু পৰিমাণে ক্ৰিয়া কৰিছিল তৰুণ বিপ্লৱী চন্দ্ৰনাথ শৰ্ম্মাৰ প্ৰভাৱে। শৰ্ম্মাৰ বিপ্লৱী সাহচৰ্যই আন বহু কাকত আলোচনীক মুক্তি যুঁজৰ জেউতিৰে জিলিকাই তোলাৰ দৰেই বিলাসিনীও তেওঁৰ তপত তেজেৰে তেজাল হৈ পৰিছিল।

আসাম এছ'চিয়েশ্বনৰ প্ৰতি নিঃস্বাৰ্থ সেৱাৰ বাবে শৰ্ম্মাক তিনিশ

টকাৰ পুৰস্কাৰ এটা দিয়া হৈছিল। সেয়া তেওঁ গ্ৰহণ কৰি পুনৰ এইদৰে পুৰস্কাৰ হিচাপে বিলাই দিছিল ঃ

(১) জালিয়ানৱালাবাগৰ গণ-হত্যা সম্পৰ্কত লিখা এখন কিতাপৰ শ্ৰেষ্ঠ পাণ্ডুলিপিৰ বাবে;

(২) তিলক, দাদাভাই নৌৰজী, গোখলে, গান্ধী, মালব্য, এনী বেচান্টৰ জীৱনীৰ বাবে;

(৩) কংগ্ৰেছৰ ১৯১৭, ১৯১৮ আৰু ১৯১৯ অধিৱেশনৰ ভাষণাৱলীৰ অনুবাদৰ বাবে; আৰু

(৪) মণিৰাম দেৱানৰ এখন জীৱনীৰ বাবে। এইলানি কিতাপৰ জৰিয়তে চন্দ্ৰনাথ শৰ্ম্মা আৰু 'আসাম বিলাসিনী'য়ে উপযুক্ত আন্দোলনমূলক পৰিৱেশ গঢ়ি তুলিবলৈ সচেষ্ট হৈছিল আৰু সফলো হৈছিল। এনেকৈয়ে তেওঁলোকে জাতি গঠন প্ৰক্ৰিয়ালৈও ইতিবাসক বৰঙণি আগবঢ়াইছিল।

কটন কলেজত আই, এ পঢ়ি থকা কালতে তেওঁ 'সাবিত্ৰী সত্যবান' আৰু 'চিন্তা' নামৰ দুখন পুথি ৰচনা কৰে। দ্বিতীয়খন সম্পূৰ্ণ হোৱা নাছিল। এই দুখন পুথি প্ৰকাশ হ'বলৈ নাপালে। অপ্ৰকাশিত অৱস্থাতে লোপ পালে। আইন কলেজত ছাত্ৰ হৈ থকা সময়ত তেওঁ 'আলোচনী' আৰু 'আসাম বিলাসিনী'ৰ নিয়মীয়া লিখক আৰু প্ৰধান পৃষ্ঠপোষক আছিল। তেওঁ লিখা প্ৰায় আটাইবোৰ প্ৰৱন্ধই আছিল সমালোচনামূলক। সোণাৰাম হাইস্কুলত শিক্ষকতা কৰা সময়ত তেওঁ দেখিছিল যে অসমীয়া ল'ৰাৰ বাবে ইংৰাজী অনুবাদ শিক্ষাৰ নিৰ্ভৰযোগ্য পুথি নাই। এই অভাৱ পূৰণৰ মানসেৰে তেওঁ Matriculation Translation and Composition ৰচনা কৰে আৰু বহুদিনীয়া অভাৱ এটা পূৰণ কৰা বাবে বহুতো কৃতবিদ্য লোকৰপৰা প্ৰশংসা পায়। এই গ্ৰন্থখনি তেখেতৰ শিক্ষাগুৰু কেশৱ নাথ ফুকনৰ নামত উৰ্ছগা কৰিছে। উৰ্ছগাৰ কথাখিনি হ'ল " To the sacred memory of late Keshav Nath Phookan, the book is dedicated with all the reverence and gratitude of a pupil." ১৯১৯ চনত চন্দ্ৰনাথ শৰ্ম্মা আৰু অম্বিকাগিৰী ৰায় চৌধাৰীৰ যুটীয়া সম্পাদনাত গুৱাহাটীৰ পৰা 'চেতনা' আলোচনী প্ৰকাশিত হয়। এই আলোচনীখন অন্যান্য কাকতৰ দৰে ৰাজনীতি বৰ্জিত নাছিল। তেওঁ আছিল প্ৰকৃত সাহিত্যসেৱী। আধুনিক অসমীয়া লিখকৰ কোনো কিতাপকে তেওঁ নপঢ়াকৈ থকা নাছিল। প্ৰত্যেকখন অসমীয়া



আলোচনী আৰু বাতৰি কাকতৰ তেওঁ নিয়মীয়া গ্ৰাহক আছিল। তেওঁৰ প্ৰকাশিত সাহিত্য বিষয়ক কিতাপ তিনিখন 'বিদ্যাসাগৰ', 'বছাফুল' আৰু 'বছা ফুলৰ কৰণি'। এই আটাই কেইখন কিতাপেই গঠন মূলক দৃষ্টি ভঙ্গীৰে ৰচনা কৰা। ১৯১৫-১৬ ৰ 'আলোচনী'ত (ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত আৰু সেই যুগৰ এখন শ্ৰেষ্ঠ অসমীয়া আলোচনী) চন্দ্ৰনাথ শৰ্ম্মা দেৱৰ 'বছাফুল' নামে এলানি প্ৰৱন্ধ প্ৰকাশ কৰিছিল। 'বছাফুল'ত শৰ্ম্মাদেৱে পৃথিবীৰ মহৎ লোকসকলৰ বহুমূলীয়া বাণীসমূহ সন্নিৱিষ্ট কৰিছিল। পিছত ১৯১৬ চনত 'বছাফুল' গ্ৰন্থ হিচাপে প্ৰকাশ কৰে। লিখকে পাতনিত লিখিছে যে 'বছাফুল' বিশেষকৈ ছাত্ৰৰ অৰ্থেহে; কিন্তু 'বছাফুল'ৰ সৌৰভে সকলোকে আমোদিত কৰিব বুলি আমি ডাঠি ক'ব পাৰো। সি যি হওঁক, প্ৰত্যেক স্কুলীয়া ছাত্ৰৰ হাতত একোখন 'বছাফুল' থকা নিতান্ত উচিত। তেখেতে 'বছাফুলৰ কৰণি' উছৰ্গা কৰিছে পদ্মনাথ গোহাঞি বৰুৱাৰ নামত এইদৰে ''অসমীয়া সাহিত্য-ৰথী, সাহিত্যিক পেঞ্চনাৰ, পৰম শ্ৰদ্ধাস্পদ শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা ডাঙৰীয়াৰ অমৰ নামত 'বছা ফুলৰ কৰণি' উৰ্ছগা কৰা হ'ল।'' ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যদেৱে উল্লেখ কৰিছে যে 'বছা ফুলৰ কৰণি' কৈ পুথিখনৰ নাম 'বছা ফুলৰ মালা' ৰখা হ'লেহে ভাল হ'লহেঁতেন। কাৰণ চন্দ্ৰনাথে কৰণিত ফুল ভৰায়েই ক্ষান্ত হোৱা নাই, সেইবোৰ এপাহ এপাহকৈ গুঠি মানুহক জীৱনৰ আদৰ্শ, জীৱনৰ উদ্দেশ্য আৰু কৰ্ত্তব্য, সময় আৰু ছেগৰ সদ্ব্যৱহাৰ, শিক্ষা আৰু জ্ঞানাৰ্জন, কিতাপ অধ্যয়ন, কৰ্ম, জিৰনি, চৰিত্ৰ গঠন, চৰিত্ৰৰ সহকাৰী গুণ, সুখ-শান্তিৰ উপায়, ল'ৰাকালৰ কৰ্ত্তব্য, আত্ম বিশ্বাসৰ প্ৰয়োজন, প্ৰাৰ্থনা আৰু উপাসনাৰ মহত্ব, বন্ধুত্ব, মহত্ব আৰু প্ৰতিভা, স্ত্ৰীজাতিৰ কৰ্ত্তব্য, এলাহৰ বদ গুণ, দুখ আৰু পৰিশ্ৰমৰ ফল আদি সম্পৰ্কে নীতি-শিক্ষাৰ সৌৰভ আৰু সৌন্দৰ্য্য বিলাব পৰাকৈ সজাইছিল। এই মালা হ'ল সুচিন্তিত সুপৰিকল্পিত কৰ্ম্মৰ দ্বাৰা গঢ়ি তোলা সৰ্বগুণ বিভূষিত চৰিত্ৰাদৰ্শ। এই চৰিত্ৰ গঠন অসমীয়া উদাৰ নৈতিক চিন্তাবিদসকলৰ মানত আছিল সৰ্বাঙ্গীন প্ৰগতিৰ মূলমন্ত্ৰ। চন্দ্ৰনাথৰ দৃষ্টিত চৰিত্ৰ সাধ্যও আৰু সাধনো। ব্যক্তিৰ পুনৰ নিৰ্মানৰ বাবে আহোপুৰুষাৰ্থ কৰাটো তেওঁ প্ৰয়োজন বুলি ভাবিছিল। কিন্তু লগে লগে তেওঁ কৈছিল ''জন সমাজৰ দুখ দূৰ কৰা মানৱ সমাজৰ সৰ্বোচ্চ কৰ্ত্তব্য। এই কৰ্তব্য উপলব্ধি কৰিয়েই পৃথিৱীৰ উজ্জ্বল ৰত্ন বুদ্ধদেৱে তেওঁৰ জীৱন অৰ্পণ কৰিছিল। এই উদ্দেশ্য সাধনৰ অৰ্থেই ক'ত মহাত্মাই জীৱন উৰ্ছগা কৰি স্বৰ্গী হৈছে। মানুহৰ দুঃখৰ সমস্যা বৰ কঠোৰ সমস্যা। এই সমস্যাৰ কোনো স্থিৰ

সিদ্ধান্ত আজি পৰিমিত দাৰ্শনিক আৰু ভাবুকসকলে দিব পৰা নাই ....।'' কাম আৰু চৰিত্ৰ এই দুটা শব্দৰ গুৰুত্ব 'বছা ফুলৰ কৰণি'ত সবাতোকৈ বেছি।

'বিদ্যাসাগৰ' পুথি প্ৰকাশ কৰে ১৯১৬ চনত। লিখকে ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ কাৰ্য্যাৱলীৰ চমু সমালোচনা কৰি এই কিতাপখন ৰচনা কৰিছে আৰু এই কাৰ্য্যত তেখেত কৃতকাৰ্য্য হ'ব পাৰিছে। বিদ্যাসাগৰ সম্পৰ্কে সকলো কথাই চমুকৈ কিতাপখনত ঠাই দিয়া হৈছে। তেখেতে ''বিদ্যাসাগৰক আধুনিক ভাৰতৰ পৰম গৌৰৱস্থল; দেশজননীৰ বৰপুত্ৰ আখ্যা দিছে।'' লম্বোদৰ বৰা আছিল তেওঁৰ সাহিত্য-গুৰু। বৰাই অসমীয়া গদ্য -সাহিত্যত এটি নতুন সুৰ দি গৈছে। সেই সুৰে তেওঁক বৰকৈ অনুপ্ৰাণিত কৰিছিল। তেওঁৰ আদৰ্শ পুৰুষ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ জীৱনীখনো বৰাৰ নামতে উচৰ্গা কৰিছিল। পাতনিত তেওঁ লিখিছে, - 'মনুষ্য মৰণশীল। সমাজ পৰিবৰ্ত্তনশীল। ইতিহাসো স্থায়ী নহয়। কাৰণ মানুহৰ কাৰ্য্য-কলাপ লৈয়েই বুৰঞ্জী। মনিষী কাৰ্লাইলৰ মতে জগতৰ বুৰঞ্জী মানৱ জাতিৰ কাৰ্য্যাৱলী, মহৎ লোকৰ জীৱন চৰিতৰ সমষ্টি। পৃথিৱীৰ ইতিহাস ভিন ভিন জাতিৰ উত্থান-পতনৰ এটা স্থায়ী প্ৰতিধ্বনি মাথোন ---।'' তেওঁৰ গদ্যৰ চানেকি স্বৰূপে এইখিনি উদ্ধৃত কৰা হ'ল।

১৯১৬ চনৰ ২৫ ডিচেম্বৰ তাৰিখে 'অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন' গঠিত হওঁতেই সন্মিলনৰ অধিবেশনত অভ্যৰ্থনা সমিতিৰ সভাপতি হৈছিল চন্দ্ৰনাথ শৰ্ম্মা। সেয়েহে পিছত সাহিত্য শব্দটো বাদ দি 'অসম ছাত্ৰ সন্মিলন' হয়। চন্দ্ৰনাথৰ কৰ্ম কুশলতাৰ ফল স্বৰূপেই 'অসম ছাত্ৰ সন্মিলন' লৈ ৰূপান্তৰিত হোৱাত কৰ্ম পৰিধি সুবিস্তৃত হৈ পৰে। অসম এছোছিয়েচন আৰু নৱগঠিত অসম কংগ্ৰেছৰ প্ৰাণকেন্দ্ৰ আছিল চন্দ্ৰনাথ শৰ্ম্মা। এছোছিয়েছনৰ সুযোগ্য সম্পাদকৰ দায়িত্ব লৈ অসমীয়া জাতিক ৰাজনৈতিক পৰিবৰ্ত্তন সাধন কৰিব পৰাকৈ প্ৰস্তুত কৰিবলৈ অহোপুৰুষাৰ্থ কৰি নিজা চিন্তাধাৰাৰে প্ৰতিবাদী কণ্ঠ তীব্ৰতৰ কৰি তুলিছিল। চন্দ্ৰনাথৰ আত্মত্যাগ, কষ্টসহিষ্ণুতা তুলনাবিহীন। ১৯১৮ চনত কলিকতাত বহা কংগ্ৰেছ মহাসভাৰ প্ৰতিনিধি হিচাপে নবীন চন্দ্ৰ বৰদলৈৰ সৈতে তেখেতে তাত অসমৰ ফালৰ পৰা যোগদান কৰিছিল। সেই মহাসভাতেই মহাত্মা গান্ধীয়ে অসহযোগ, অনশন আদিৰ বিষয়ে ভাল মন্তব্য দিছিল। অসমতো সেই আন্দোলন ফলৱতী কৰিবলৈ গুৱাহাটীত এখন তদৰ্থ কংগ্ৰেছ কমিটি গঠন কৰিছিল। তাতো চন্দ্ৰনাথে অসমত কংগ্ৰেছৰ কাৰ্য্যসূচী মতে কাম কৰিবলৈ পথ প্ৰদৰ্শক হিচাপে নেতৃত্ব বহন কৰিবলগীয়া হৈছিল।



১৯২০ চনত মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা অসহযোগৰ আন্দোলনৰ আগলি বতৰা অসমলৈ তেখেতেই কঢ়িয়াই আনিছিল। অসহযোগৰ বাণীত উদ্বুদ্ধ হৈ তেওঁ প্ৰথমতে ওকালতি বৰ্জন কৰি অন্দোলনত জপিয়াই পৰে। বিভিন্ন কলেজৰ ছাত্ৰ-ছাত্ৰীক একত্ৰিত কৰি বিভিন্ন ঠাইত সভা-সমিতি পাতি ছাত্ৰ-সকলক স্বাধীনতাৰ বাণীত আপ্লুত কৰিলে। চন্দ্ৰনাথ আছিল অসমত অসহযোগ আন্দোলনৰ গুৰি ধৰোঁতা। তেখেতেই আছিল জিলা কংগ্ৰেছ কমিটিৰ প্ৰতিষ্ঠাপক সভাপতি। তেখেতৰ কৰ্মপ্ৰেৰণা আছিল অফুৰন্ত। দেশৰ কামত লাগি থাকোতেই তেখেতে আনকি নিজৰ স্বাস্থ্যৰ কাৰণেও ভাবিব পৰা নাছিল। ১৯২১ চনৰ জানুৱাৰী মাহৰ শেষভাগত চন্দ্ৰনাথ কলিকতালৈ গৈ মহাত্মা গান্ধী, চিত্তৰঞ্জন সেন, বিপিন পাল, জীতেন্দ্ৰ লাল বেনাৰ্জী প্ৰমুখ্যে নেতৃবৃন্দক লগ ধৰি অসহযোগ আন্দোলন সম্পৰ্কত খৰচি মাৰি আলোচনা কৰে। অনাহাৰে, অনিদ্ৰাৰে প্ৰায়ে পদব্ৰজে ৰাজ্যখনৰ ইমূৰৰ পৰা সিমূৰলৈ স্বাধীনতাৰ বাণী প্ৰচাৰ, মাদক দ্ৰব্য বৰ্জন, পঞ্চায়ত গঠন আদি কাৰ্য্যত ৰাইজৰ অভূতপূৰ্ব সহযোগিতা মনকৰিবলগীয়া সাফল্য। ইয়াৰ ওপৰিও নিষ্ঠাবান ছাত্ৰ সকলক লগত লৈ বিভিন্ন ভিতৰুৱা অঞ্চল ঘূৰি তিলকৰ স্বৰাজ ভঁৰাললৈ দান-বৰঙণি সংগ্ৰহ কৰিছিল। এই কামত তেওঁৰ সোঁহাত স্বৰূপে আছিল ত্যাগবীৰ হেম চন্দ্ৰ বৰুৱা, অমিয় কুমাৰ দাস, লক্ষ্মীধৰ শৰ্ম্মা আদি চোকা বুদ্ধিৰ আৰু ত্যাগী ছাত্ৰনেতাসকল। ১৯২১ চনত বোম্বেত বহা জাতীয় কংগ্ৰেছ মহাসভাত তেখেতে যোগদান কৰিছিল আৰু লগতে মহাত্মা গান্ধীক অসমলৈ নিমন্ত্ৰণ কৰি আহিছিল আৰু মহাত্মা গান্ধীৰ অসম ভ্ৰমণৰ সময়ত তেখেতৰ লগত ফুৰি সভাত মহাত্মাৰ পৰিচয় দি তেজী বক্তৃতা দিয়ে। তেওঁ দিয়া বক্তৃতাবোৰ আছিল নিৰ্ভীক আৰু উদ্দীপনাময়।

অসমলৈ স্বাধীনতা আন্দোলনৰ বাৰ্তাবাহক চন্দ্ৰনাথ শৰ্ম্মা, মোহনদাস কৰমচাঁদ গান্ধীক তেজস্বী আত্মবিশ্বাসী বক্তব্যৰে মুহি অসমলৈ আমন্ত্ৰণ কৰি আনোতা চন্দ্ৰনাথ শৰ্ম্মা কিন্তু মুঠেও গান্ধীৰ অন্ধ স্তাৱক নাছিল। ১৯২২ চনত উত্তৰ প্ৰদেশৰ চৌৰীচৌৰাত এক হিংসাত্মক ঘটনা ঘটিল। মানৱতাৰ দিশৰ পৰা যাক ক'ব পাৰি অমানুষিক। দেশপ্ৰেমৰ নামত সিদিনা জনতাই থানাৰ দুৱাৰ বন্ধ কৰি বহুকেইজন ডাৰোগা বিষয়াক হত্যা কৰে। এই হিংসাত্মক ঘটনাৰ পিছতেই মহাত্মা গান্ধীয়ে অহিংস অসহযোগ আন্দোলন হঠাতে স্থগিত কৰিলে। দেশৰ বহুতেই এই সিদ্ধান্তত মৰ্মাহত হ'ল। চন্দ্ৰনাথ শৰ্ম্মায়েও গান্ধীজীক সমৰ্থন জনাব নোৱাৰিলে। সেই সময়ত তেখেত ৰোগাক্ৰান্ত হৈ

আছিল। মহাত্মাৰ সেই কাৰ্য্যই তেওঁক ক্ষুদ্ধ কৰিলে আৰু এখন চিঠিত মহাত্মালৈ লিখিলে যে, দেশ যেতিয়া স্বাধীনতাৰ বাবে জাগ্রত, সেই সময়ত দুই-চাৰিজন লোকৰ হিংসাত্মক কাৰ্য্যৰ বাবে আন্দোলন বন্ধ কৰাটো যুক্তিসঙ্গত নহয়। তেওঁ জীৱন প্রদীপ নুমুৱাৰ আগতে কৈ গ'ল- "He has betrayed the Revolution" । এই কথাৰ সাৰাংশ হ'ল 'তেওঁ বিপ্লৱী জনতাক বিশ্বাসঘাতকতা কৰিলে'। এই কথা কিষাৰ তেওঁ কৈ গৈছিল গুণাভিৰাম শৰ্ম্মাদেৱক (দেশপ্রাণ লক্ষীধৰ শৰ্ম্মাদেৱৰ সৰু ভায়েক)। তেওঁ আকৌ কৈছিল ''ভাৰতৰ প্রতিজন মানুহ মহাত্মা গান্ধীৰ দৰে অহিংস হৈ স্বৰাজ আনিবলৈ হ'লে এই লক্ষ লক্ষ মানুহক লক্ষ লক্ষ বছৰ লাগিব। পৰা হ'লে এই সময়ত মই ইয়াৰ বিৰুদ্ধে মাত মাতিলোহেতেঁন।'' নিজ বিশ্বাস মতে কাম কৰাৰ যি নৈতিক সাহ তেওঁৰ আছিল এই উক্তিয়েই তাৰ এটি স্পষ্ট নিদৰ্শন। এই ঘটনাৰ পিছতেই তেওঁ শেষ নিশ্বাস পেলায়। শৰ্ম্মাদেৱৰ এই শেষ উক্তিৰ কথা যেতিয়া গান্ধীজীয়ে শুনিলে তেতিয়া তেখেতে বোলে কৈছিল ঃ- তেওঁ এজন মহান দেশপ্রেমিক আছিল। সেয়ে মৰণৰ দুৱাৰদলিতো তেওঁ নিজৰ অনুভূতিক ব্যক্ত কৰি যাব পাৰিলে। তেওঁ জীয়াই থকা হ'লে আৰু তেওঁক মোৰ অন্তৰৰ কথা বুজাব পৰা হ'লে তেওঁ নিশ্চয় বুজিলেহেতেঁন, কাৰণ তেওঁ একনিষ্ঠভাৱে দেশক ভাল পাইছিল।

১৯১৬-২২ চনৰ কালছোৱাত অসমত যিমানবোৰ ৰাজহুৱা কাম হৈছিল বা যিবোৰ ৰাজহুৱা অনুষ্ঠান গঢ়ি উঠিছিল, সেই সকলোবোৰৰে নেতৃত্ব বহন কৰিছিল- কৰ্ম্মবীৰ চন্দ্রনাথ শৰ্ম্মাই। সামাজিক কামৰ লগতে ৰাজনীতিৰ ক্ষেত্রত সচেতন চন্দ্রনাথে তেতিয়াৰ অসমৰ ৰাজনৈতিক অনুষ্ঠান 'অসম এছোচিয়েশ্যনে'ৰ চালিকা শক্তি স্বৰূপে কাম কৰি অসমৰ ডেকা চামক যিদৰে ৰাজনৈতিক ভাৱে সচেতন কৰি তুলিছিল তাৰ উদাহৰণ বিৰল। অসম এছোচিয়েশ্যচনৰ সম্পাদকৰ উপৰিও ১৯১৬ চনত জন্ম লাভ কৰা অসম ছাত্র সন্মিলনৰো তেওঁ আছিল সম্পাদক। সেইদৰে ১৯১৭ চনত জন্ম পোৱা অসম সাহিত্য সভাৰ প্রথম বছৰ কাৰ্য্যকৰী সমিতিৰ সদস্য আৰু পিছত সহকাৰী সম্পাদক আৰু ১৯২০ চনত অসম এছোচিয়েশ্যচনক 'জাতীয় কংগ্রেছ'ৰ শাখাৰূপে প্রতিষ্ঠা কৰাত চন্দ্রনাথৰ যি অৱদান, তাক কোনো কালেই কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

লক্ষীনাথ বেজবৰুৱাই পদ্মনাথ গোহাঞি বৰুৱাৰ কথা এবাৰ কঠোৰভাৱে লিখাত চন্দ্রনাথ শৰ্ম্মাই বেজবৰুৱাৰ বিৰুদ্ধে কাপ তুলি লৈছিল।



ফলত চন্দ্রনাথ শৰ্ম্মাও বেজবৰুৱাৰ বিদ্বেষপূৰ্ণ আক্রমণৰ বলি হ'ব লগা হৈছিল। 'হেমকোষ'ৰ আৰু তাৰ আগতে 'জোনাকী'ৰ বুকুত লম্বোদৰ বৰাই প্রৱৰ্ত্তন কৰা অসমীয়া ভাষাৰ আখৰ-জোঁটনি চন্দ্রনাথ শৰ্ম্মাই এনেদৰে আয়ত্ব কৰিছিল যে প্রতিবাদ প্রৱন্ধত বেজবৰুৱাই 'এহাতে 'হেমকোষ' মেলি লৈ আনহাতে 'বাঁহী' পঢ়ে বুলি ভাবিবলৈ বাধ্য হৈছিল আৰু তাকে 'বাঁহীৰ সম্পাদকৰ চিঠিৰ উত্তৰ'ত চন্দ্রনাথে গৌৰৱেৰে 'হেমকোষ' ''গুলি-পিহি খোৱা মানুহ আছে'' বুলি গৌৰৱ কৰিব পাৰিছিল। এই প্রতিবাদ প্রৱন্ধৰ মাজেদিয়েই তেওঁৰ আত্মবিশ্বাসৰ ভাবো যেন প্রকট হৈ জিলিকি উঠিছে। গোহাঞিবৰুৱাই আনন্দৰাম বৰুৱাই এখন অভিধান লিখিবলৈ লোৱাৰ কথা এবাৰ উল্লেখ কৰিছিল, চন্দ্রনাথৰ 'আনন্দ ৰাম বৰুৱা আৰু বঙলা ভাষা' তথা 'হেমকোষ আৰু বাঁহী' আদি প্রৱন্ধৰ বিৰোধিতা কৰিবলৈ গৈ বেজবৰুৱাই ব্যংগাত্মকভাৱে চন্দ্রনাথক সৰুজনা পিট (Pitt) বুলি আক্রমণ কৰে। তেতিয়াৰ পৰাই চন্দ্রনাথৰ বিৰোধীসকলে তেওঁক পিট, পিট (ইংলেণ্ডৰ এজন প্রধান মন্ত্রীৰ নাম) বুলি জোকাবলৈ ধৰে। এইখিনিতে উল্লেখযোগ্য যে বেজবৰুৱাই 'পিট'ৰ উপৰি 'ঢোকাৰাম শৰ্ম্মা' বুলিও ব্যংগ কৰা এইজন তৰুণ বিপ্লৱীয়ে সেইখিনি সময়তে 'ছাৰ নৃপেন্দ্র নাৰায়ণ ভূপ বাহাদুৰ' আৰু 'সাধনী' আদি প্রৱন্ধও 'উষা'ত লিখিছিল। বেজবৰুৱাৰ বৰ্ণ-বিন্যাসক কঠোৰ সমালোচনা কৰি তেওঁ লিখা 'হেমকোষ আৰু লক্ষীনাথ বেজবৰুৱা' প্রৱন্ধটো বাঁহীয়ে নছপোৱাত উষাই ছপায়; অৱশ্যে 'হেমকোষ আৰু বাঁহী' শিৰোনামেৰে। এই প্রৱন্ধত দেখা যায় চন্দ্রনাথে অসমীয়া ভাষাৰ বৰ্ণবিন্যাসৰ বিষয়তো গভীৰভাৱে মনোনিৱেশ কৰিছিল। চন্দ্রনাথ আছিল অসত্য আৰু অন্যায়ৰ দুৰ্ঘোৰ বিৰোধী, প্রতিপক্ষ যিমানেই লাগে শক্তিশালী নহওক কি হওক, তেওঁ অকাট্য যুক্তিৰে অসত্য আৰু অন্যায়ৰ বিৰুদ্ধে থিয় দি প্রতিপক্ষক নিৰস্ত কৰিহে এৰিছিল। আনকি লক্ষীনাথ বেজবৰুৱাৰ দৰে মহাৰথী জনকো তেওঁ বাক্যশৰ মাৰি নিৰস্ত কৰিব পাৰিছিল।

চন্দ্রনাথ শৰ্ম্মাই ১৯২১ চন, ১৭ মাৰ্চৰ (৭ম বছৰ, ৪০শ সংখ্যা) 'আসাম বিলাসিনী'ত ৰাইজৰ আলোচনাৰ বাবে আগবঢ়োৱা হ'ল বুলি 'জাতীয় শিক্ষা'ৰ শিতানত জাতীয় বিশ্ববিদ্যালয়ৰ শিক্ষা পদ্ধতি সংক্রান্ত আঁচনি আগবঢ়াইছিল। অসমৰ অৱস্থাৰ লগত খাপ খোৱাকৈ এই আঁচনি ৰচনা কৰিছিল। অসমত এক সুকীয়া জাতীয় বিশ্ববিদ্যালয় স্থাপন কৰাই আছিল তেওঁৰ অন্তিম লক্ষ্য। উচ্চ শিক্ষাৰ পাঠ্যক্রম তেওঁৰ আঁচনিত নাই। জাতীয়

বিশ্ববিদ্যালয়ৰ আঁচনিখন অসম্পূৰ্ণ যদিও উদ্দেশ্য, আদৰ্শ আৰু বৃত্তিমূলক পাঠ্যক্ৰম প্ৰৱৰ্ত্তন- এই তিনিটা বিষয়ত ই সেই সময়ৰ প্ৰচলিত বিশ্ববিদ্যালয়বোৰতকৈ বেলেগ আছিল। কৰ্মবীৰৰ পৰিকল্পনাত অসমৰ মাটিৰ আৰু জলবায়ুৰ প্ৰভাৱ বৰ্ত্তমান।

চন্দ্ৰনাথ শৰ্ম্মাৰ সামাজিক মত উদাৰ আছিল। অস্পৃশ্যতা তেওঁ নেমানিছিল। ১৯২১ চনৰ মাৰ্চ মাহত অসহযোগৰ কথা ৰাইজক বুজোৱাৰ উদ্দেশ্যে জামুগুৰিহাটৰ মাধৱ দেৱালয়ৰ প্ৰাঙ্গনত ডাঙৰ ৰাজহুৱা সভা বহিছিল। জামুগুৰি অঞ্চলৰ সকলো গণ্যমান্য ৰাইজ তাত উপস্থিত আছিল। শৰ্ম্মাদেৱে বক্তৃতা দিবলৈ উঠিল "ৰাইজ, আমাৰ শত্ৰু ইংৰাজ নহয় বামুণ, গোসাঁই, মহন্ত সকলহে আমাৰ শত্ৰু"। উচ্চ বৰ্ণৰ হিন্দুসকল কাঁহ পৰি জীণ যোৱাদি হ'ল - সকলোৱে মুখ চোৱা চুই কৰিলে। লগত যোৱা বাকী কৰ্মীসকলে প্ৰমাদ গণিলে যে এই ভাষণে অসহযোগৰ প্ৰচাৰত তেওঁলোকৰ বাবে সহায়ক হ'ব নে বাধা হৈ থিয় দিব। শৰ্ম্মাদেৱৰ পিছত উঠিল আন এগৰাকী বাগ্মী পুৰুষ দেশপ্ৰাণ লক্ষীধৰ শৰ্ম্মাদেৱ। লক্ষীধৰ শৰ্ম্মাদেৱে সকলো কথা ফঁহিয়াই বুজাই দি ক'লে, কিমান বেজাৰত কিমান অভিমানত চন্দ্ৰনাথ শৰ্ম্মাদেৱে আজি এই কথা কিষাৰ কৈছে। লক্ষীধৰ শৰ্ম্মাদেৱে ভাৰতবৰ্ষৰ অতীত গৌৰৱৰ কথা সুঁৱৰি বৈদিক যুগৰ সত্যান্বেষী ব্ৰাহ্মণ সকলৰ তপোবনৰ ক্ষমতাৰ বৰ্ণনা দি, সেই পৰম্পৰা ৰহিত বৰ্ণ হিন্দু সকলেই যে কেনেকৈ আজি অপ্ৰীতিকৰ সামাজিক অসমতাৰ সৃষ্টি কৰি দেশক খণ্ড-বিখণ্ড কৰিবলৈ ওলাইছে তাক মধুৰভাৱে বুজাই দিলে। সভাস্থলীত যেন নতুন উদ্দীপনাৰ সৃষ্টি হ'ল। লক্ষীধৰে চন্দ্ৰনাথৰ চাৰিত্ৰিক সৌন্দৰ্যক যেন দুগুণে জিলিকাই তুলিলে। শৰ্ম্মাদেৱৰ উদাৰ সংস্কাৰমুখী মনটোৰ পৰিচয় পোৱা যায় আৰু এটা সৰু ঘটনাত। এবাৰ এখন গাঁওত সভা বহিছে। এনেতে ৰাংছালী গাঁওৰ মটক সম্প্ৰদায়ৰ ডেকা ল'ৰা এজন ওলালহি। তেওঁ এখন নিমন্ত্ৰণ পত্ৰ দিলেহি ৰাজহুৱা সভাত, তেওঁলোকৰ গাঁৱত ৰাতিলৈ সকলো কৰ্ম্মী গৈ থাকিব লাগে। নিমন্ত্ৰণ দিয়া মাত্ৰে ৰাজহুৱা সভাত চন্দ্ৰনাথে এই নিমন্ত্ৰণ গ্ৰহণ কৰিলে। নিশা ৰাংছালী গাঁৱত উপস্থিত হোৱাত কৈৱৰ্ত ভাইসকলে তেওঁ আৰু তেওঁৰ লগৰ কৰ্ম্মীসকলক সিধা পাত্ৰ যতনাই দি তেওঁবিলাকে নিজে ৰান্ধি খাবলৈ যেতিয়া অনুৰোধ কৰিছিল তেতিয়া শৰ্ম্মাদেৱে কৈছিল - "আমি আপোনালোকৰ নিমন্ত্ৰণলৈ অহা অতিথি। অতিথিক গৃহস্থই নিজ হাতে ৰান্ধিহে খোৱায়।" পিছত তেখেতসকলে ৰন্ধা-বঢ়া কৰা আহাৰ শৰ্ম্মাদেৱ আৰু কৰ্ম্মীসকলে গ্ৰহণ



কৰিছিল। আজিৰ দিনত এনেবোৰ কথাত কোনেও আপত্তি নকৰে, কিন্তু সেই দিনৰ ৰক্ষণশীল সমাজৰ বিৰুদ্ধে তেওঁ এনে সাহ কৰা ডাঙৰ কথা।

উদাৰতাৰ তেনে এক অনুকৰণীয় উদাহৰণত চন্দ্ৰনাথে কংগ্ৰেছৰ পাণ্ডু অধিৱেশনত ইচ্ছাকৃতভাৱেই অ-ব্ৰাহ্মন ৰান্ধনি নিয়োগ কৰিছিল। অথচ ইচ্ছা কৰা হ'লেই তেওঁ ব্ৰাহ্মণ ৰান্ধনি পাব পাৰিলেহেঁতেন । (জীৱন বৰুৱা ঃ দেশ প্ৰাণ লক্ষীধৰ শৰ্ম্মা, পৃষ্ঠা ৮৪) উল্লেখযোগ্য যে জাতি-বৰ্ণবিৰোধী চেতনা তেওঁৰ মাজত তীব্ৰ হৈ অহাৰ লগে লগে চন্দ্ৰনাথে ব্ৰাহ্মণ-সমাজৰ সম্পাদকৰ পদৰ পৰাও ইস্তফা দিছিল। অসম ছাত্ৰ সন্মিলনৰ সপ্তদশ অধিৱেশনৰ সভাপতি পীতাম্বৰ দেৱ গোস্বামীক অধিৱেশন থলীলৈ আগবঢ়াই নিয়া হৈছিল কৈৱৰ্ত সম্প্ৰদায়ৰ এযোৰ গায়ন-বায়নেৰে। এয়া নিশ্চয় চন্দ্ৰনাথৰ উদাৰ দৃষ্টিভংগীৰে ধাৰাবাহিকতা। উদাৰ গণতন্ত্ৰী পীতাম্বৰ দেৱ গোস্বামীয়েও সভাপতিৰ অভিভাষণতে ভাৰতৰ পৰাধীনতাৰ প্ৰধান কাৰণ হিচাবে ব্ৰাহ্মণ্যবাদক চিনাক্ত কৰিছিল। (V. Venkat Rao : A Century of Government and Policies in N.E. India, Vol.5) কুসংস্কাৰৰ আবৰ্জনাৰ পৰা জাতিটোক উদ্ধাৰ কৰাটোকে চন্দ্ৰনাথে জীৱনৰ ব্ৰত হিচাবে লৈছিল।

প্ৰগতিৰ বাৰ্তাবাহক চন্দ্ৰনাথ শৰ্ম্মা অসমৰ আধুনিক সময়ৰ আটাইতকৈ আধুনিক আৰু প্ৰগতিশীল মানুহ বুলি আখ্যা দিব পাৰি। বিগত দুই দশকৰো অধিক কালজুৰি আমি জাতি-বৰ্ণ বাদৰ বিৰুদ্ধে যুঁজ দি আহিছোঁ। বৰ্ণবাদ ব্ৰাহ্মণ্যবাদৰ বিৰুদ্ধে যুঁজিবলৈ গৈ আমাৰ এনে এক ভাৱমূৰ্তি গঢ়ি উঠিছে যেন আমি ব্ৰাহ্মণ বা উচ্চ বৰ্ণৰ ব্যক্তি মাত্ৰেই বিৰোধিতা কৰোঁ। ধাৰণাটো ভ্ৰান্ত। বৰ্ণ হিন্দুৰ ঘৰত জন্ম হৈও যিসকল লোকে সমাজৰ দলিত, নিষ্পেষিত লোকসকলৰ হকে থিয় দিছে বা মাত মাতিছে, তেওঁলোকৰ প্ৰতি আমি পোষণ কৰি আহিছোঁ গভীৰতম শ্ৰদ্ধা।তেওঁলোকক বাদ দি আধুনিক অসমীয়া জাতি গঠন প্ৰক্ৰিয়া অসম্পূৰ্ণ হৈ ৰ'ব বুলি ভাবিব পাৰি। সেই প্ৰাতঃস্মৰণীয় ব্যক্তিৰ কুৰি শতিকা ভিত্তিক তালিকা প্ৰস্তুত কৰিলে শীৰ্ষতে নিৰ্দ্বিধাই ঠাই দিব লাগিব - চন্দ্ৰনাথ শৰ্ম্মাক। লক্ষীধৰ শৰ্ম্মা, কৃষ্ণনাথ শৰ্ম্মা, ব্ৰজনাথ শৰ্ম্মা, পীতাম্বৰ দেৱ গোস্বামী, গহনচন্দ্ৰ গোস্বামী, কেদাৰনাথ গোস্বামী আদি আৰু বহুজন বৰ্ণহিন্দু লোকে এই তালিকা উজলাই ৰাখিলেই তালিকাখনৰ প্ৰথম নামটো যে মুক্তি যুঁজৰ অগনি ফিৰিঙতি কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্ম্মাৰে হোৱা উচিত, সেই সম্পৰ্কে কাৰো দ্বিমত নাই। চন্দ্ৰনাথ শৰ্ম্মাই

দেখুৱাই যোৱা সাম্রাজ্যবাদবিৰোধী, জাতি-বৰ্ণবাদ বিৰোধী, জাতীয় বিদ্যালয়, জাতীয় শিক্ষানীতি, জাতীয় সংগঠন-সাহিত্য গঢ়াৰ পথেৰেহে আমি একৈছ শতিকাৰ উপযোগী বৃহত্তৰ আৰু মহত্বৰ অসমীয়া জাতি গঢ়িব পাৰিম।

সমাজৰ প্ৰতি থকা গভীৰ দায়বদ্ধতাই তেওঁক সমাজৰ প্ৰতিক্ৰিয়াশীলতা, স্থবিৰতা আৰু প্ৰগতিৰ মাজৰ, সমাজৰ বিভিন্ন শ্ৰেণীবোৰ আৰু তাৰ মাজত থকা দ্বন্দ্ববোৰ সম্পৰ্কে উপলব্ধ কৰায়। দ্ৰৰিদতা, সাম্প্ৰদায়িকতা, সংকীৰ্ণ পশ্চাদমুখী ধাৰণা, সংকীৰ্ণ জাতীয়তাবোধ আদিৰ গৰাহৰ পৰা জনমানসক মুক্ত কৰিব নোৱাৰিলে ন্যস্ত স্বাৰ্থৰ গৰাহত পৰা দেশৰ মানুহক মুক্ত কৰা সম্ভৱ নহয় বুলি তেওঁ ক্ৰমে ক্ৰমে উপলব্ধি কৰিব ধৰিছিল। ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই লিখিছে যে চন্দ্ৰনাথ শৰ্ম্মা নিজে নিম্ন-মধ্যবিত্তৰ ঘৰৰ পৰা আহিছিল বাবেই দুখীয়াৰ দুখ বুজিছিল। অসহযোগ আন্দোলনৰ বাবে তেওঁ শক্তি গোটাইছিল সেই সকলৰ পৰাই। ড০ ভট্টাচাৰ্য্য আশ্চৰ্যান্বিত হৈছে এই কথা ভাবি যে কেনেকৈ এজন কপৰ্দক শূন্য, নিশকতীয়া দেহৰ মানুহে সাম্রাজ্যবাদৰ কবলৰ পৰা দেশৰ মুক্তিৰ বাবে শেষ ৰক্তবিন্দু পৰ্যন্ত উজাৰ কৰি দিবলৈ প্ৰেৰণা পাইছিল। সেয়েহে ভট্টাচাৰ্যই তেওঁক 'ইতিহাসৰ সচেতন বাহক' আখ্যা দিছে।

(ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত কৰ্মবীৰ চন্দ্ৰনাথ শৰ্ম্মা, পৃষ্ঠা ৮১, ৮৯)

চন্দ্ৰনাথ শৰ্ম্মাৰ অভিন্ন হৃদয় বন্ধু দণ্ডিনাথ কলিতাই তেখেতৰ বিষয়ে এনেকৈ লিখিছে "চন্দ্ৰনাথৰ দৰে অক্লান্ত কৰ্মী আসামত নাই আৰু নহ'ব। মুঠেই ৩২ বছৰ ৬ মাহ জীৱিত থাকি চন্দ্ৰনাথে যিমানখিনি কাম কৰি গ'ল, দীৰ্ঘ জীৱন লাভ কৰিও সিমান কাম কৰা বহুতৰে বাবে অসম্ভৱ হ'লহেঁতেন। এই বিষয়ত ২৯ বছৰীয়া লম্বোদৰ বৰা লগত মাথোঁ চন্দ্ৰনাথৰ তুলনা হয়। মুঠতে চন্দ্ৰনাথক কৰ্মসমষ্টি বা মূৰ্তিমান কৰ্ম বুলিলে দোষ নহয়। --- ইচ্ছাশক্তি আৰু অজেয় মনোবল তেওঁৰ প্ৰধান অস্ত্ৰ আছিল। ৰাজহুৱা কামৰ বেলিকা তেওঁৰ শক্তি দহগুণ বাঢ়িছিল। বাস্তৱতে অসমীয়াৰ ভিতৰত ৰাইজৰ কামত প্ৰাণপাত কৰিবলৈ যদি কোনোবা সাজু আছিল, দহজনৰ মঙ্গলৰ নিমিত্তে নিজৰ অমংগল মাতি অনিবলৈ যদি কোনোবা আগবাঢ়িছিল, তেনেহ'লে তেওঁ চন্দ্ৰনাথ। সেই মূৰ্চ্ছা ৰোগাগ্ৰস্ত পুনঃ পুনঃ সংজ্ঞাবিলুপ্ত চন্দ্ৰনাথৰ পত্নীৰ কাতৰ দৃষ্টি আৰু পীড়িত শিশুকন্যাৰ ৰোগশয্যা দেখি চন্দ্ৰনাথৰ দীঘল হুমুনিয়াহ ওলাব পাৰে, কিন্তু দেশৰ কাম, ৰাইজৰ কাম বন্ধ থাকিব নোৱাৰে।"

"মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন" এই আপ্তবাক্যকে সাৰোগত কৰা



চন্দ্ৰনাথ অসমীয়া জাতিৰ ৰাজনৈতিক চিন্তাধাৰাৰ গতি পৰিবৰ্ত্তনৰ প্ৰধান ঋত্বিক আছিল। ৰাইজৰ সেৱক চন্দ্ৰনাথে দেশ আৰু দহৰ বাহিৰে নিজৰ বাবে একোৱেই কৰিব নোৱাৰিলে। এনেদৰে স্বদেশ আৰু স্বজাতিৰ সৰ্বাঙ্গীণ উন্নতিৰ বেদীত অক্লান্ত সৈনিক হিচাবে লাগি থাকি দুৰাৰোগ্য যক্ষ্মাৰোগৰ দ্বাৰা আক্ৰান্ত হয় আৰু ১৯২২ চনৰ ২০ জুলাই তাৰিখে ৩২ বছৰ ৬ মাহ বয়সত ইহলীলা সম্বৰণ কৰে। কৰ্মবীৰ, দেশপ্ৰাণ, কৰ্মসিন্ধু আদি বিভিন্ন উপাধি থকা বিশেষভাবে বিভূষিত চন্দ্ৰনাথ শৰ্ম্মাই এবাৰ তেওঁৰ অন্তৰংগ বন্ধু ডাঃ হেম বৰুৱাক তেওঁৰ এলেহুৱা স্বভাৱৰ বাবে বিদ্ৰূপ কৰি কৈছিল - "দেহা প্ৰত্যেক মুহূৰ্ত্ততে মৰি আছে আৰু নমৰালৈ থাকিবও, গতিকে কিবা এটা কৰি মৰ।" আৰু কৈছিল - "নিজৰ সুখৰ কাৰণে যি কাম কৰিব লাগে, মানুহ এটাই তাতকৈ বহু বেছি কাম কৰিব পাৰে, সেই কাম আনৰ সুখৰ কাৰণে কৰ।" প্ৰকৃততে কথা দুআষাৰে বৰ্ত্তমান আমাৰ সমাজৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্ত্তব্যৰ কথাকেই সোঁৰৰাই আছে।

চন্দ্ৰনাথৰ স্মৃতিক জীয়াই ৰখাৰ প্ৰচেষ্টাৰে বিহগুৰিয়া ৰাইজৰ চেষ্টাত গঢ়ি উঠিল - চন্দ্ৰনাথ শৰ্ম্মা স্মৃতি ভৱন, চন্দ্ৰনাথ শৰ্ম্মা উচ্চ (বৰ্ত্তমান উচ্চতৰ) মাধ্যমিক বিদ্যালয়। সেইদৰে তেজপুৰৰ ধেনুখনা পাহাৰত স্থাপন হয় লক্ষীধৰ -চন্দ্ৰনাথ শৰ্ম্মা সোঁৱৰণী যক্ষ্মা হস্পিতেল। শোণিতপুৰ জিলাৰ বিহগুৰিত নিৰ্মাণ কৰি থকা চিকিৎসা মহাবিদ্যালয়খন বিহগুৰিতে ওপজা শোণিতপুৰ গৌৰৱ কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ নামত নামাকৰণৰ দাবী বিভিন্ন সংগঠনৰ লগতে অসম সাহিত্য সভায়েও উদভাৱন কৰিছে। বিশিষ্ট সাহিত্যিক, 'আমাৰ অসম' কাকতৰ সম্পাদক হোমেন বৰগোহাঞিয়ে কাকতখনৰ প্ৰথম পৃষ্ঠাতে এইজন ক্ৰান্তিকালৰ সংক্ৰান্তি পুৰুষৰ বিষয়ে এইদৰে লিখিছে - "চন্দ্ৰনাথ শৰ্ম্মাৰ নামত তেজপুৰ চিকিৎসা মহাবিদ্যালয়খনৰ নামকৰণ হয় নে নহয়, সেইটো তুলনামূলকভাৱে তুচ্ছ কথা। বৃহত্তৰ অসমীয়া জাতি গঢ়াৰ ক্ষেত্ৰত সকলো ভেদাভেদ পৰিহাৰ কৰি অসমৰ সমাজ জীৱনৰ বৈপ্লৱিক ৰূপান্তৰ ঘটাব বিচৰা যুগনায়ক চন্দ্ৰনাথ শৰ্ম্মাৰ অমৰ অৱদানৰ বৈশিষ্ট্যখিনিৰ মূল্যাংকন কৰাটোহে প্ৰাসংগিক হ'ব।"